নং ঃ ১৫২/২০২০

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আগবঢ়ালে বৰঙনি

**ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে এমাহৰ দৰমহা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ**

**দিছপুৰ, ২ এপ্ৰিলঃ** কভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বৰঙনি আগবঢ়াই আছে। আজি ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে তেখেতৰ এমাহৰ দৰমহা সৰ্বমুঠ ৩.৫০ লাখ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত ৰাজ্যপালৰ হৈ এই ধনৰাশিৰ চেক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত অৰ্পণ কৰে তেওঁৰ প্ৰধান ব্যক্তিগত সচিব এছ এন ভৌমিকে। তদুপৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আজি ড° টি আও জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে ২৫ হাজাৰ টকা, আসাম স্পৰ্টছ জাৰ্নেলিষ্ট এছ'চিয়েশ্যনে ২৫ হাজাৰ টকা, শ্ৰীগুৱাহাটী গোশালা ষ্ট্ৰাষ্টে ৫ লাখ টকা, গুৱাহাটীৰ গুৰুকুল গ্ৰামাৰ স্কুলে ১০ লাখ টকা আৰু গুৰুকুল গ্ৰামাৰ স্কুলৰ শিক্ষক তথা কৰ্মচাৰী সকলৰ এদিনৰ দৰমহা সৰ্বমুঠ ১.২০ লাখ টকা, এৰ' ফিটনেছে ২০ হাজাৰ টকা, অসম অলিম্পিক সন্থাই ১ লাখ টকা, অসম হকী সংস্থাই ২৫ হাজাৰ টকা, সন্তৰণবিদ এলভিছ আলি হাজৰিকাই ৫০ হাজাৰ টকা, গুৱাহাটী পৌৰ নিগমে ১৯.৪৮ লাখ টকাৰ বৰঙণি আগবঢ়ায়। তদুপৰি অসম আৰোগ্য নিধিলৈ কপলাৰ কনট্ৰিভ প্ৰাইভেট লিমিটেডে ১ লাখ টকা, ড° টি আও জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে ২৫ হাজাৰ টকাৰ বৰঙনি আগবঢ়ায়।

**বঃভাঃ**
**২/৪/২০২০**